**3 (Sem–1/CBCS) ASM HC1**

**2020**

( Held in April–May, 2021 )

ASSAMESE

( Honours )

Paper : ASM–HC–1016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) কোনে প্ৰথমে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ-বিভাজন কৰিছিল ?

(খ) নেপালৰ ৰাজ দৰবাৰত প্ৰাপ্ত চৰ্যাগীতৰ পুথিখনৰ নাম কি ?

(গ) ৰামাই পণ্ডিতৰ 'শূন্য পুৰাণ'ত কোন দেৱতাৰ কথা আছে ?

(ঘ) মহামাণিক্যৰ অনুৰোধত কোনে 'ৰামায়ণ' অসমীয়ালৈ ভাঙনি কৰিছিল ?

(ঙ) 'লৱ কুশৰ যুদ্ধ' কাব্যৰ আধাৰগ্ৰন্থ কি ?





(চ) ''অসমীয়া সাহিত্যৰ প্ৰকৃত ইতিহাস আৰম্ভ হৈছে বৌদ্ধ গান বা দোহাৰ পৰাহে।'' এয়া কোনগৰাকী সাহিত্যৰ ইতিহাস-প্ৰণেতাৰ উক্তি ?

(ছ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো ?

(জ) মাধৱদেৱৰ কোনখন নাটকক 'ঝুমুৰা' বোলা নহয় ?

(ঝ) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

(ঞ) কোনগৰাকী সাহিত্য-বুৰঞ্জী-প্ৰণেতাই ডাকৰ উদ্ভৱ কাল খৃষ্টীয় চতুৰ্থ-ষষ্ঠ শতিকা বুলি মন্তব্য কৰিছে ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখক কোন ? গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল ?

(খ) 'শ্ৰীকৃষ্ণ-কীৰ্তন' গ্ৰন্থৰ ৰচক আৰু উদ্ধাৰকৰ্তাৰ নাম লিখা।

(গ) 'হৰ গৌৰী সম্বাদ' পুথিত কেইটা অধ্যায় আৰু পদ আছে ?

(ঘ) শংকৰদেৱৰ প্ৰথম কাব্য কি ? কাব্যখনৰ আধাৰগ্ৰন্থ কি আছিল ?

(ঙ) ভাগৱত ব্যুৎপত্তি আৰু শাস্ত্ৰ ব্যাখ্যাৰ অসাধাৰণ ক্ষমতাৰ বাবে ভট্টদেৱে কোন দুটা উপাধি লাভ কৰিছিল ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মহেশ্বৰ নেওগে 'প্ৰাক্ শংকৰ যুগ'ৰ অসমীয়া সাহিত্যৰ আলোচনা কিদৰে কৰিছে, চমুকৈ লিখা।

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'শূন্য পুৰাণ'ৰ গুৰুত্ব বিচাৰ কৰা।

(গ) হৰিবৰ বিপ্রৰ 'যুদ্ধ কাব্যৰ বিশেষত্ব' নিৰূপণ কৰা।

(ঘ) হেম সৰস্বতীৰ কাব্য-প্রতিভা সম্পর্কে চমুকৈ লিখা।

(ঙ) মাধৱদেৱৰ বৰগীত সম্পর্কে এটি চমু টোকা প্রস্তুত কৰা।

(চ) পাঁচালী সাহিত্যৰ বৈশিষ্ট্য সম্পর্কে লিখা।

৪। তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ''মাধৱ কন্দলি আছিল মনোৰম কথক।'' মহেশ্বৰ নেওগৰ এই মন্তব্যৰ আধাৰত মাধৱ কন্দলিৰ কাব্য-প্রতিভা বিচাৰ কৰা।

(খ) সত্যেন্দ্রনাথ শর্মাকৃত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পর্কে এটি নিৰন্ধ যুগুত কৰা।

(গ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত চর্যাপদৰ আলোচনা কিয় হ'ব লাগে? তোমাৰ মতামত আগবঢ়োৱা।

(ঘ) শংকৰী যুগৰ সাধাৰণ বৈশিষ্ট্য বিচাৰ কৰা।

(ঙ) শংকৰদেৱৰ অংকীয়া নাট সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(চ) সুকবি নাৰায়ণদেৱৰ 'পদ্মাপুৰাণ'ৰ ভাষা আৰু কাব্যৰস সম্পর্কে বিৱৰণ দিয়া।

(ছ) প্রাক্ শংকৰী যুগৰ সাহিত্যতকৈ শংকৰী যুগৰ সাহিত্য কিদৰে পৃথক আৰু প্রসাৰিত হৈছিল, বিচাৰ কৰা।

★★★